# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 03-05-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

## Headlines

**-------------------**

১। পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ বিঘ্নিত হোৱা ৪৩টা কেন্দ্ৰত কাইলৈ পুনৰ ভোটগ্ৰহণ।

২। জাপানৰ নিম্ন সদনৰ অধ্যক্ষৰ নেতৃত্বত ৫৫ জনীয়া এটা প্ৰতিনিধি দলৰ তিনিদিনীয়া সূচীৰে অসম ভ্ৰমণ।

৩। দেশৰ অন্যান্য প্ৰান্তৰ লগতে ৰাজ্যত কাইলৈ নীট পৰীক্ষা।

৪। সংবাদ মাধ্যমৰ কৰ্মীসকলৰ মত প্ৰকাশৰ স্বাধীনতাৰ গুৰুত্ব সম্পৰ্কে সজাগতা সৃষ্টিৰ বাবে সমগ্ৰ বিশ্বতে আজি সংবাদ মাধ্যমৰ স্বাধীনতা দিৱস পালন। **আৰু**

৫। ফিলিপাইনছত অনুষ্ঠিত এছিয়ান লন বল প্ৰতিযোগিতাত ভাৰতীয় মহিলা দলৰ দটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক লাভ।

ooooo

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত কালি হৈ যোৱা ভোটগ্ৰহণৰ সময়ত বিভিন্ন বিক্ষিপ্ত ঘটনা বা অন্যান্য কাৰণত ভোটগ্ৰহণত ব্যাঘাত জন্মা ৪৩টা ভোটকেন্দ্ৰত কাইলৈ পুনৰ ভোটগ্ৰহণ কৰা হ'ব। সেই অনুসৰি হাইলাকান্দি জিলাৰ ৩১টা, শ্ৰীভূমিত ৮টা, গোলাঘাট আৰু মাজুলীত এটাকৈ ভোটকেন্দ্ৰত কাইলৈ পুৱা চাৰে ৭ বজাৰ পৰা বিয়লি চাৰে ৪ বজালৈ ভোটগ্ৰহণ কৰা হ'ব। শ্ৰীভূমি জিলাত ৮টা ভোটকেন্দ্ৰত কাইলৈ পুনৰ হ'বলগীয়া ভোটগ্ৰহণ সন্দৰ্ভত জিলা আয়ুক্ত প্ৰদীপ কুমাৰ দ্বিবেদীয়ে এনেদৰে কয়–

**ৰাইট (প্ৰদীপ কুমাৰ দ্বিবেদী)**

উল্লেখযোগ্য যে পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত কালি উজনি অসম, উত্তৰ অসম আৰু বৰাক উপত্যকাৰ মুঠ ১৪ খন জিলাত ভোটগ্ৰহণ সম্পন্ন হয়। ৰাজ্যিক নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি কালিৰ নিৰ্বাচনত ৭০ দশমিক ১-৯ শতাংশ ভোটদান সম্পন্ন হয়।

ooooo

৭ মে'ত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ বাবে ব্যাপক প্ৰচাৰ চলি আছে। শাসকীয় বিজেপিৰ লগতে মিত্ৰদল অসম গণ পৰিষদ আৰু বিৰোধী দল কংগ্ৰেছৰ উপৰি অন্যান্য ৰাজনৈতিক দল তথা নিৰ্দলীয় প্ৰাৰ্থীসকলেও ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ আজাৰা-ধাৰাপুৰ, গৰল আৰু নগাঁৰত প্ৰচাৰ কাৰ্যসূচীত অংশ লয়। প্ৰচাৰ সভাত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে অসমক দেশৰ ৫ খন শ্ৰেষ্ঠ ৰাজ্যৰ তালিকাত অন্তৰ্ভুক্ত কৰোৱাৰ বাবে এন ডি এ চৰকাৰে চলাই

অহা প্ৰয়াসৰ বিষয়ে উল্লেখ কৰে। নগাঁৱত আয়োজিত প্ৰচাৰ সভাত মন্ত্ৰী কেশৱ মহন্তৰ লগতে ভালেসংখ্যক নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে। বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই আজি জাগীৰোড সমষ্টিৰ ঔজাৰিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। এই সভাত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, বিধায়ক ৰমাকান্ত দেউৰীৰ লগতে ভালসংখ্যক দলীয় নেতা-কৰ্মী উপস্থিত থাকে। দলৰ সভাপতিগৰাকীয়ে আজি মন্ত্ৰী হাজৰিকাৰ সৈতে মায়ং আঞ্চলিক ক্ৰীড়া সন্থাৰ খেলপথাৰত আন এখন নিৰ্বাচনী সভাত অংশ লয়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি দক্ষিণ কামৰূপৰ ৰঙামাটিত প্ৰচাৰ চলায়। আবেলি তেওঁ বিলাসীপাৰাৰ শালকোচা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত প্ৰচাৰ সভাত অংশ ল'ব।

কংগ্ৰেছ দলৰ হৈ দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰা, জ্যেষ্ঠ নেতা প্ৰদ্যুৎ বৰদলৈ, ৰিপুন বৰা, সাংসদ গৌৰৱ গগৈ, ৰকিবুল হুছেইন, দলৰ নেত্ৰী মীৰা বৰঠাকুৰকে ধৰি নেতাসকলে প্ৰচাৰ চলাই আছে। একেদৰে অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলেও প্ৰচাৰ অব্যাহত ৰাখিছে। অসম জাতীয় পৰিষদৰ সভাপতি লুৰিনজ্যোতি গগৈয়ে আজি নলবাৰীৰ পশ্চিম বৰভাগ জিলা পৰিষদৰ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলায়।

ooooo

অহা ৭ মে'ত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ ভোট গ্ৰহণৰ বাবে বিভিন্ন জিলা প্ৰশাসনে পূৰ্ণ গতিৰে প্ৰস্তুতি চলাই আছে। হাটশিঙিমাৰী জিলা প্ৰশাসনে জিলাখনৰ মুঠ ৪০৬টা ভোট কেন্দ্ৰৰ বাবে তৃতীয় তথা অন্তিম পৰ্যায়ৰ প্ৰশিক্ষণ হিচাপে ৪৪৮ গৰাকী প্ৰিজাইডিং আৰু প'লিং বিষয়াক প্ৰশিক্ষণ প্ৰদান সম্পূৰ্ণ কৰে। কালি আৰম্ভ হোৱা তৃতীয় পৰ্যায়ৰ প্ৰশিক্ষণৰ আজি অন্ত পৰে। অহা ৬ মে'ত ভোটগ্ৰহণকাৰী বিষয়াসকলে ভোটগ্ৰহণৰ বাবে প্ৰয়োজনীয় সামগ্ৰীসমূহ লৈ ভোটগ্ৰহণ কেন্দ্ৰলৈ ৰাওনা হ'ব।

হোজাই জিলা প্ৰশাসনে জিলা সদৰত হোজাই আৰু বিন্নাকান্দি সমষ্টিৰ বাবে, আৰু লামডিং সমজিলাৰ কাৰ্যালয়ত লামডিং সমষ্টিৰ পঞ্চায়ত নিৰ্বাচনৰ যাৱতীয় কাম-কাজৰ প্ৰস্তুতি চলাইছে। জিলাখনত মুঠ ৭৭৪টা ভোটকেন্দ্ৰ আছে। তাৰে ৩৫টা ভোটকেন্দ্ৰ স্পৰ্শকাতৰ হিচাপে চিনাক্ত কৰা হৈছে। জিলাখনত ১০টা আদৰ্শ ভোটকেন্দ্ৰ মহিলাৰ দ্বাৰা পৰিচালিত হ'ব।

নিৰ্বাচন নিকা আৰু স্বচ্ছভাৱে কৰিবলৈ নগাঁও জিলা আয়ুক্তই সমগ্ৰ জিলাখনত ৫ মে'ৰ পৰা ৭ মে'লৈ সুৰাৰ বিপণীসমূহ বন্ধৰ নিৰ্দেশ দিছে।

ooooo

জাপানৰ হাউছ অৱ ৰিপ্ৰেজেণ্টেটিভছ তথা নিম্ন সদনৰ অধ্যক্ষ নুকাগা ফুকুছিৰো অসমলৈ আহিব। ফুকুছিৰোৰ সৈতে জাপানৰ সাংসদ, জাপান চৰকাৰৰ উচ্চ পৰ্যায়ৰ আমোলা বিষয়া, ব্যৱসায়ী আৰু সংবাদ মাধ্যমৰ প্ৰতিনিধিকে ধৰি এটা ৫৫ জনীয়া দলে অসম ভ্ৰমণ কৰিব। আজি সন্ধিয়া দলটোৱে গুৱাহাটী বিমান বন্দৰত অৱতৰণ কৰিব। বিমান বন্দৰৰ পৰা পোনে পোনে অসম বিধানসভা ভৱনলৈ আহিব। বিধানসভাত জাপানৰ প্ৰতিনিধিৰ দলটো ৰাজ্যপাল, মুখ্যমন্ত্ৰী আৰু অসম বিধানসভাৰ অধ্যক্ষৰ সৈতে বৈঠকত মিলিত হ'ব। জাপানৰ এই প্ৰতিনিধি দলটোৰ সন্মানাৰ্থে বিধানসভাৰ চৌহদতে সাংস্কৃতিক অনুষ্ঠান তথা নৈশ ভোজৰো আয়োজন কৰা হৈছে। দলটোৱে কাইলৈ গুৱাহাটী আই আই টি আৰু জাগীৰোডত নিৰ্মীয়মান ছেমিকণ্ডাক্টৰ প্ৰকল্পস্থলী পৰিদৰ্শন কৰিব। দলটোৱে স্বাস্থ্য, শিক্ষা, মানৱ সম্পদ সন্দৰ্ভত মুখ্যমন্ত্ৰী তথা বিধানসভাৰ অধ্যক্ষৰ সৈতে আলোচনাত মিলিত হ'ব। অসমত বিভিন্ন ক্ষেত্ৰত বিনিয়োগ সন্দৰ্ভতো আলোচনা হোৱাৰ সম্ভাৱনা আছে। জাপানৰ নিম্ন সদনৰ অধ্যক্ষসহ প্ৰতিনিধিৰ দলটো ৫ মে'ত অসমৰ পৰা উভতি যাব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নুকাগা ফুকুছিৰোৰ নেতৃত্বত অসমলৈ অহা জাপানৰ প্ৰতিনিধি দলটোক সামাজিক মাধ্যমযোগে

আদৰণি জনোৱাৰ লগতে প্ৰতিনিধিৰ দলটোৰ এই ভ্ৰমণে জাপানৰ সৈতে অসমৰ সহযোগিতাৰ বান্ধোন বৃদ্ধি কৰিব বুলি আশা প্ৰকাশ কৰে।

ooooo

সমগ্ৰ দেশৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তত কাইলৈ চিকিৎসা আৰু দন্ত চিকিৎসা মহাবিদ্যালয়ৰ নামভৰ্তিৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰৱেশ পৰীক্ষা চমুকৈ NEET অনুষ্ঠিত হ'ব। পৰীক্ষা ত্ৰুটিহীন পৰিচালনাৰ বাবে ৰাজ্য চৰকাৰে প্ৰতিখন জিলাতে নিৰীক্ষক হিচাপে একোজনকৈ উচ্চ পৰ্যায়ৰ প্ৰশাসনিক বিষয়া এটা বিশেষ নিৰ্দেশনা জৰিয়তে নিয়োগ কৰিছে। বিয়লি ২ বজাৰ পৰা ৫ বজালৈ হ'বলগীয়া পৰীক্ষাৰ বাবে প্ৰতিখন জিলাতে প্ৰশাসনে কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি পৰীক্ষা কেন্দ্ৰৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত অকৰ্তৃশীলভাৱে যিকোনো লোকৰ প্ৰৱেশত বাধা আৰোপ কৰা হৈছে। পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া প্ৰাৰ্থীয়ে কৰ্তৃপক্ষৰ দ্বাৰা স্বাক্ষৰিত প্ৰৱেশ পত্ৰ দেখুৱাইছে পৰীক্ষা কেন্দ্ৰত প্ৰৱেশ কৰিব পাৰিব। একেদৰে পৰীক্ষাত নিয়োজিত বিষয়া-কৰ্মচাৰী, আইন শৃংখলা আৰু জৰুৰীকালীন সেৱাত নিয়োজিত চৰকাৰী বিষয়া-কৰ্মচাৰীয়েহে পৰীক্ষা কেন্দ্ৰত প্ৰৱেশ কৰিব পাৰিব। পৰীক্ষাৰ্থীয়ে কেলকুলেটৰ, মোবাইল ফোনকে ধৰি যিকোনো ধৰণৰ যোগাযোগৰ বৈদ্যুতিন সামগ্ৰী বা কোনো ধৰণৰ আপত্তিজনক সামগ্ৰী পৰীক্ষা কেন্দ্ৰলৈ নিব নোৱাৰিব। পৰীক্ষা কেন্দ্ৰৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত কোনো বিপণীয়ো খোলা ৰাখিব নোৱাৰিব। পৰৱৰ্তী নিৰ্দেশনা নিদিয়া পৰ্যন্ত এই বাধা আৰোপ বাহাল থাকিব আৰু কোনো ব্যক্তিয়ে বাধা উলংঘা কৰিলে ভাৰতীয় ন্যায় সংহিতা ২০২৩ৰ ২২৩ ধাৰাৰ অধীনত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

ooooo

সংবাদ মাধ্যমৰ কৰ্মীসকলৰ মত প্ৰকাশৰ স্বাধীনতাৰ গুৰুত্ব সম্পৰ্কে সজাগতা সৃষ্টিৰ বাবে সমগ্ৰ বিশ্বতে আজি সংবাদ মাধ্যমৰ স্বাধীনতা দিৱস পালন কৰা হৈছে। ৰিপোৰ্টাৰ্ছ উইডাউত বাউণ্ডেৰীছ্ আৰু আন ভালেকেইটা সংস্থাই এই দিৱসৰ সময়তে সংবাদ মাধ্যমৰ স্বাধীনতাৰ ক্ষেত্ৰত বিশ্বৰ বিভিন্ন দেশৰ ৰেংকিং প্ৰকাশ কৰে।

ইউনেস্কোৰ উদ্যোগত এই উপলক্ষে আজি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। দিৱসৰ অংশ হিচাপে সংবাদ মাধ্যমত কৰ্মৰত লোকসকলক একত্ৰিত কৰি তেওঁলোকে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ দূৰ কৰাৰ কৌশল সন্দৰ্ভত আলোচনা কৰা হয়। ১৯৪৮ চনৰ মানৱ অধিকাৰ সম্পৰ্কীয় সাৰ্বজনীন ঘোষণাৰ ১৯ নম্বৰ অনুচ্ছেদত অন্তৰ্ভুক্ত মত প্ৰকাশৰ স্বাধীনতাক সন্মান জনাই এই দিৱসৰ আয়োজন কৰা হয়। অসমতো আজি এই দিৱস উপলক্ষে কাৰ্যসূচী লোৱা হয়। ডিব্ৰুগড়ত আজি এই উপলক্ষে বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰসংঘৰ ভাৰতীয় সংঘৰ নতুন দিল্লীৰ উদ্যোগত আৰু জিলাখনৰ কেইবাটাও সংস্থাৰ সহযোগত এই অনুষ্ঠানৰ আয়োজন কৰা হয়। এই উপলক্ষে অসম সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি ইকবাল আহমেদে সংবাদ মাধ্যমত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ শীৰ্ষক বক্তৃতা দিয়ে। এই অনুষ্ঠানটো ৰাষ্ট্ৰসংঘৰ ভাৰতীয় সংঘৰ সচিব ড০ অশ্বিনী শৰ্মাই উদ্বোধন কৰে। অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়া, ডিব্ৰুগড় জিলা সাংবাদিক সন্থাৰ সভাপতি বিপীন শৰ্মা, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠাপক সভাপতি ৰাজীৱ বৰগোঁহাইৰ লগতে ভালসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

ooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত যোৱা ৩০ এপ্ৰিলত হাতী ছাফাৰী বন্ধ হোৱাৰ পাছত সমাগত বাৰিষাৰ প্ৰতি লক্ষ্য ৰাখি উদ্যান কৰ্তৃপক্ষই অহা ১৫ মে'ত জীপ ছাফাৰীও সামৰণি পৰাৰ সম্ভাৱনা ব্যক্ত কৰে। অৱশ্যে

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান বন্ধ হ'লেও পানবাৰী সংৰক্ষিত বনাঞ্চল, বিশ্বনাথৰ পানপুৰ, লাওখোৱা বুঢ়াচাপৰি বনাঞ্চল কিছু দিনৰ বাবে পৰ্যটকৰ বাবে খোলা থাকিব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক সোণালী ঘোষে এই কথা প্ৰকাশ কৰাৰ লগতে চলিত পৰ্যটন বৰ্ষৰ মাৰ্চলৈকে ৪ লাখ ২০ হাজাৰ পৰ্যটকে কাজিৰঙা ভ্ৰমণ কৰিছে বুলি জনায়। এইবাৰ প্ৰায় ১৪ হাজাৰ বিদেশী পৰ্যটকে কাজিৰঙা ভ্ৰমণ কৰিছে। এই সংখ্যা পূৰ্বৰ বছৰসমূহত বিদেশী পৰ্যটকৰ সংখ্যাৰ দুগুণ। সঞ্চালকগৰাকীয়ে জনোৱা অনুসৰি বৰ্তমান বৰষুণৰ বাবে ৰাষ্ট্ৰীয় উদ্যান ভিতৰৰ পথসমূহ বোকাময় হৈ পৰাৰ বাবে ১৫ মে'ত জীপ ছাফাৰী বন্ধ কৰা হ'ব বুলি ঘোষণা কৰিলেও বতৰ ভাল হ'লে সিদ্ধান্ত সলনি হ'ব পাৰে। একে সময়তে সমাগত বাৰিষাত হ'ব পৰা বানপানীৰ সৈতে মোকাবিলা কৰিবলৈ উদ্যান কৰ্তৃপক্ষ সাজু হোৱা বুলি সঞ্চালকগৰাকীয়ে জনায়। এই সন্দৰ্ভত এয়া আমাৰ গোলাঘাটৰ সংবাদদাতা হিৰণ্য গগৈ––

**ভইচ (হিৰণ্য গগৈ)**

ooooo

এতিয়া শুনক ৱেভছ সন্মিলনৰ বাতৰি **(মনতাজ)**

মুম্বাইত চলি থকা ৱেভছ সন্মিলন ২০২৫ৰ আজি তৃতীয় দিনা স্পটিফাই হাউছ, ইভ'লিউছ্যন অব ফ'ক মিউজিক ইন ইণ্ডিয়া শীৰ্ষক আকৰ্ষণীয় অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত দেশৰ ভিন্ন প্ৰান্তৰ লোকসংগীতৰ শিল্পীসকলে মত বিনিময় কৰে। এই অনুষ্ঠানত বিশিষ্ট গীতিকাৰ তথা কেন্দ্ৰীয় চলচ্চিত্ৰ প্ৰমাণীকৰণ পৰিষদৰ অধ্যক্ষ প্ৰসুন যোশী, অসমৰ সংগীত শিল্পী পাপন, লোক সংগীত শিল্পী মালিনী অৱষ্ঠি আৰু যশস্বী শিল্পী ইলা অৰুনে অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশ লৈ পাপনে লোক সংগীতৰ সৈতে তেওঁৰ যাত্ৰা আৰু চাৰ্ভিয়াত সংগীত পৰিৱেশনৰ সময়ত অসমীয়া লোক সংগীতক দেশখনৰ জনসাধাৰণে কৰা প্ৰশংসাৰ বিষয়ে উল্লেখ কৰে। লোকসংগীতৰ শিপা জনগোষ্ঠীয় জীৱন আৰু আৱেগৰ সৈতে যুক্ত হৈ আছে বুলি তেওঁ উল্লেখ কৰে। এই অনুষ্ঠানত ভাৰতীয় লোকসংগীতৰ চহকী পৰম্পৰাত আলোকপাত কৰা হয়।

উল্লেখযোগ্য যে বিশ্ব দৃশ্য-শ্ৰাব্য আৰু মনোৰঞ্জন সন্মিলন- ৱেভছ ২০২৫ত কালি অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ কলা-সংস্কৃতিৰ প্ৰদৰ্শন কৰা হয়। **(মনতাজ)**

ooooo

অসমত আবৃত্তিৰ ধাৰা শীৰ্ষক শৃংখলাৰ দ্বিতীয়টো দৃষ্টিপাত আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত ভাগ ল'ব বিশিষ্ট গীতিকাৰ, শিক্ষাবিদ ড° অমৰজ্যোতি চৌধুৰী, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° বিনীতা বৰা দেৱচৌধুৰী আৰু বিশিষ্টা আবৃত্তিকাৰ জুলিয়ানা বেগমে।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত মুম্বাইত অনুষ্ঠিত ৱেভছ ২০২৫ সন্মিলনত অংশগ্ৰহণ কৰা অসমৰ কেইবাগৰাকীও প্ৰতিনিধিয়ে তেওঁলোকৰ মন্তব্য আগবঢ়াব।

এই দুয়োটা অনুষ্ঠানৰ পৰিকল্পনা, উপস্থাপন আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

মানস ৰাষ্ট্ৰীয় উদ্যানৰ বনাঞ্চলত কালি তিনিটা বনৰীয়া হাতীৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাক লৈ বন বিভাগে স্পষ্টিকৰণ দিছে। বিভাগে এখন প্ৰেছ বিজ্ঞপ্তিত প্ৰকাশ কৰা মতে মানস ৰাষ্ট্ৰীয় উদ্যানৰ পাণবাৰী সংমণ্ডলৰ অধীনৰ এলেকাত দুটা হাতী চোৰাং চিকাৰীয়ে গুলীয়াই হত্যা কৰি হাতীৰ দাঁত দুটা লৈ যায়। ইপিনে

আন এটা মাইকী হাতীৰ মৃতদেহ পাণবাৰী সংমগুলৰ বনছুম এলেকাৰ পানী যুৰলিত উদ্ধাৰ কৰা হয় বুলি বিজ্ঞপ্তিখনত প্ৰকাশ কৰা হৈছে। প্ৰাকৃতিক কাৰণতে হাতীটোৰ মৃত্যু হোৱা বুলি উল্লেখ কৰা হৈছে। এই ঘটনা সন্দৰ্ভত বন বিভাগৰ উচ্চ পদস্থ বিষয়া আৰু বিশেষজ্ঞৰ দলে অনুসন্ধান চলাই আছে। উল্লেখযোগ্য যে আজি এই ঘটনাক লৈ উদ্যানখনৰ বাঁহবাৰী সংমগুলৰ প্ৰৱেশদ্বাৰত সদৌ অসম ছাত্ৰ সন্থাৰ আঞ্চলিক সমিতি আৰু সদৌ অসম আদিবাসী ছাত্ৰ সংস্থাই সংবাদ মেলৰ আয়োজন কৰে। সংবাদ মেলত সংগঠন দুটাই বি টি আৰ প্ৰশাসন আৰু বন বিভাগক সমালোচনা কৰি দোষীক উচিত শাস্তি বিহাৰ দাবী তোলে।

ooooo

ফিলিপাইনছত অনুষ্ঠিত এছিয়ান লন বল প্ৰতিযোগিতাত ভাৰতীয় মহিলা দলে দুটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰিছে। ভাৰতীয় দলটোত অসমৰ নয়নমণি শইকীয়া আৰু বনগীতা হাজৰিকাই অংশগ্ৰহণ কৰিছে।

ooooo

**আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি চেন্নাই ছুপাৰ কিংছ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ মুখামুখি হ'ব। খেলখন বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাৰ পৰা অনুষ্ঠিত হ'ব।**

ooooo

সমাপ্ত